অধ্যায় ৪ ঃ স্বাধীনোত্তৰ যুগৰ ৰাজ্য গঠন প্ৰক্ৰিয়া- বিভিন্ন ৰাজ্য আৰু স্বায়ত্ব শাসিত পৰিষদৰ গঠন

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়া

4.4 উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ পুনৰ সংগঠন

4.5 বিভিন্ন স্বায়ত্ব শাসিত পৰিষদৰ গঠন

4.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.7 অধিক জানিবলৈ

4.8 অগ্ৰগতিৰ খতিয়ান

4.9 আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত কেনেদৰে বিভিন্ন ৰাজ্য গঠন কৰা হৈছিল সেয়া বুজিব পাৰিব
- স্বায়ত্ব শাসিত পৰিষদ গঠন প্ৰক্ৰিয়াটোৰ বিষয়ে জানিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি উত্তৰ-পূব ভাৰতৰ ধাৰণাটোৰ কেনেদৰে উত্থান ঘটিছিল সেই বিষয়ে আলোচনা কৰিছো। এই অধ্যায়টিত আমি উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰ কেনেকৈ গঠন কৰা হৈছিল সেয়া আলোচনা কৰিম।

৪.৩ স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়া

স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়াটো ভালদৰে বুজিবলৈ আমি প্ৰথমে উত্তৰ-পূব অঞ্চলটো কেনেদৰে ভাৰতৰ বাকী অংশৰ সৈতে ৰাজনৈতিকভাৱে সংহত কৰা হৈছিল সেই প্ৰক্ৰিয়াটো জানি ল'ব লাগিব। 1826 চনত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হোৱাৰ পাচত অসম বৃটিছ শাসিত ভাৰতৰ প্ৰশাসন এক্তিয়াৰৰ অধীন হৈ পৰিছিল। ইয়াৰ লগে লগে বৃটিছে অসমত নিজৰ শাসন বলবৎ কৰিছিল আৰু সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে আধিপত্য বিস্তাৰ কৰিছিল। ঔপনিৱেশিক যুগৰ আৰম্ভণিত অসমক বেংগল প্ৰভিন্স (বংগ প্ৰদেশ)ৰ অংশ কৰি ৰখা হৈছিল (1839–1873)। লাহে লাহে বৃটিছে সকলো চুবুৰীয়া অঞ্চললৈকে ইয়াৰ

প্ৰশাসনিক অধিকাৰ সম্প্ৰসাৰিত কৰিছিল। অতীজৰে পৰা স্বতন্ত্ৰ অস্তিত্ব সহকাৰে জীৱন যাপন কৰি থকা বিভিন্ন জনজাতি সম্প্ৰদায়ে প্ৰতিৰোধী কাৰ্যকলাপ আৰম্ভ কৰা সত্বেও বৃটিছসকল থমকি ৰোৱা নাছিল।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত এক বৃহত্তৰ ৰাষ্ট্ৰ গঠন আৰু সংহতকৰণ প্ৰক্ৰিয়াটোত গুৰুতৰ সংকটে দেখা দিছিল। উত্তৰ-পূব ভাৰতৰ বাসিন্দাসকল ভাৰতৰ বাকী অংশৰ পৰা পৃথক হৈ থকাত অভ্যস্ত আছিল। অঞ্চলটোৰ বিচ্ছিন্নতাৰ ইতিহাস যথেষ্ট দীঘলীয়া আৰু ইয়াত বিভিন্ন সমাজ-সাংস্কৃতিক অনুশীলনৰ প্ৰচলন আছে। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে এই পৃথকতা আৰু বিচ্ছিন্নতাৰ অনুভৰ আছিল বৃটিছ শাসন নীতিৰ মূল। দেশৰ মূল অংশৰ পৰা বাদ পৰা আৰু আংশিকভাৱে বাদ পৰা অঞ্চলবোৰক লৈ উত্তৰ পূৰ্বাঞ্চল গঠন কৰা হৈছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-জনজাতিৰ মাজত মিলি যাব নোৱাৰা অনুভৱটোৱে শক্তিশালী ৰূপ ধাৰণ কৰিছিল। বহুতো জাতি- জনজাতিয়ে অঞ্চলটোক ভাৰতৰ অংশ কৰাৰ ধাৰণাটোক লৈ অসন্তোষ ব্যক্ত কৰিছিল।

নতুন সাৰ্বভৌম ৰাষ্ট্ৰ গঠনৰ সবাতোকৈ তাৎক্ষণিক প্ৰয়োজনীয়তা আৰু সমস্যাটো আছিল ৰাষ্ট্ৰীয় সংহতি স্থাপন। এখন নতুন জাতীয় ৰাষ্ট্ৰক সুদৃঢ় ৰূপত প্ৰতিষ্ঠা কৰিবলৈ এই কামটোক বাস্তৱ ৰূপ দিয়াটো অত্যাৱশ্যকীয় হৈ পৰিছিল। 1962 চনৰ ভাৰত-চীন সংঘাতৰ পাচত উত্তৰ-পূব ভাৰতক গুৰুত্বপূৰ্ণ সুৰক্ষা স্বাৰ্থজড়িত কৌশলগত অৱস্থানত থকা অঞ্চলৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তাই মূৰ দাঙি উঠিছিল। সকলো ধৰণৰ খিলঞ্জীয়া নৃগোষ্ঠীয় আন্দোলনৰ সৈতে জাতীয়তাবাদ বিৰোধী ধাৰণা যুক্ত কৰি চোৱা হৈছিল আৰু এনে ধাৰণাবোৰক ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি ভাবুকি বুলি গণ্য কৰা হৈছিল। কৌশলপূৰ্ণ ভৌগোলিক অৱস্থান আৰু ৰাজনৈতিক জটিলতাৰে পূৰ্ণ উত্তৰ-পূব অঞ্চলটোত স্বাধীনোত্তৰ কালত ৰাজ্য গঠন কৰাটো এক প্ৰত্যাহ্বানমূলক প্ৰক্ৰিয়া হৈ পৰিছিল। অঞ্চলটোৰ স্থানীয় প্ৰত্যাশা আৰু দাবীবোৰৰ প্ৰতি কেন্দ্ৰ চৰকাৰে প্ৰদৰ্শন কৰা অনীহাৰ বাবেও বাসিন্দাসকলৰ মনত ভাৰত বিৰোধী আৱেগৰ জন্ম হৈছিল।

1947 চনৰ 15 আগষ্টত ক্ষমতাৰ হস্তান্তৰ হোৱাৰ লগে লগে বাদ পৰা আৰু অসমৰ পাহাৰীয়া এলেকাবোৰৰ আংশিকভাৱে বাদ পৰা অঞ্চলবোৰৰ প্ৰশাসনিক এক্তিয়াৰ অসম চৰকাৰৰ হাতত অৰ্পন কৰা হৈছিল। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধিৰূপে এই দায়িত্ব গ্ৰহণ কৰিছিল। স্বাধীনোত্তৰ কালতো ভাৰত চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ ক্ষেত্ৰত ঔপনিৱেশিক বিচ্ছিন্নতাবাদী নীতি অব্যাহত ৰাখিছিল যদিও সংবিধানৰ ষষ্ঠ অনুসূচীত জনজাতি অধ্যুষিত এলেকাবোৰত প্ৰশাসনিক কাম-কাজ চলোৱাৰ নীতি-নিয়ম সম্বলিত এক বিশেষ দফা যোগ দিয়া হৈছিল। অনুসূচীত অঞ্চলটোৰ জনজাতি অধ্যুষিত এলেকাবোৰক PART A আৰু PART B শিতানত বিভক্ত কৰা হৈছিল। অতীজৰে পৰা ত্ৰিপুৰা আৰু মণিপুৰ আছিল ৰাজকীয় প্ৰদেশ। গতিকে এই প্ৰদেশ দুখনক স্বাধীন ভাৰতৰ ৰাজ্যৰ মৰ্যাদা নিদি কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণাধীন বিশেষ প্ৰশাসনিক অঞ্চলৰ মৰ্যাদা দিয়া হৈছিল। অৰ্থাৎ, সেই দিশেৰে চাবলৈ গ'লে ভাৰত স্বাধীন হোৱাৰ সময়ত উত্তৰ-পূব বোলা অঞ্চলটোত আছিল অসম (পুৰণি অসম প্ৰদেশৰ ভৈয়াম

অঞ্চল, পাহাৰীয়া জিলাসমূহ আৰু নেফা/ নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সীৰ অন্তৰ্গত এলেকাসমূহ), মণিপুৰ ৰাজকীয় প্ৰদেশ আৰু ত্ৰিপুৰা ৰাজকীয় প্ৰদেশ।

এই সময়ছোৱাত নাগালেণ্ড অসমৰ অবিচ্ছেদ্য অংগ আছিল। কিন্তু এচাম নগা নেতাই এনে সংহতকৰণৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰাখিছিল। কালক্ৰমত অঞ্চলটোত এ.জেদ. ফিজোৰ নেতৃত্বত বিদ্ৰোহী দলে মূৰ দাঙি উঠিছিল। তেওঁলোকে ভাৰতৰ পৰা পৃথক হৈ যোৱাৰ আৰু সম্পূৰ্ণ স্বাধীনতাৰ দাবীত বিদ্ৰোহী কাৰ্যকলাপ অব্যাহত ৰাখিছিল। স্বাধীনতাৰ পূৰ্বে তেওঁলোকৰ এই কাৰ্যক কিছুমান বৃটিছ বিষয়া আৰু মিশ্যনেৰীয়ে অনুপ্ৰাণিত কৰিছিল। 1955 চনত এই বিচ্ছিন্নতাবাদী নগা বিদ্ৰোহীসকলে এখন স্বতন্ত্ৰ চৰকাৰ গঠনৰ ঘোষণা কৰিছিল। বহুদিনীয়া আৰু কঠোৰ সংগ্ৰামৰ অন্তত এলানি মধ্যৱৰ্তী ব্যৱস্থা গ্ৰহণৰ জৰিয়তে ভাৰত চৰকাৰে নাগাসকলৰ কিছু দাবী মানি লৈছিল। এনেকৈয়ে 1963 চনত নাগালেণ্ড ৰাজ্যখন গঠন কৰা হৈছিল। 1956 চনৰ ৰাজ্য পুনৰসংগঠন আইনৰ অধীনত এই নতুন ৰাজ্যখন সৃষ্টি কৰা হৈছিল। আইনখনৰ বিষয়ে পৰৱৰ্তী শিতানত চমুকৈ আলোচনা কৰা হৈছে।

৪.৪ উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ পুনৰ সংগঠন

উত্তৰ-পূব ভাৰতত 1962 চনৰ নাগালেণ্ড ৰাজ্য আইনৰ অধীনত নতুন নাগালেণ্ড ৰাজ্য গঠন কৰা হৈছিল। 1964 চনৰ 1 ফেব্ৰুৱাৰীৰ পৰা এই নতুন ৰাজ্যখনৰ আনুষ্ঠানিক অস্তিত্বক স্বীকৃতি দিয়া হৈছিল। নতুন ৰাজ্যখনত নাগা-টুৱেনচাং অঞ্চল অন্তৰ্ভুক্ত কৰা হৈছিল। পূৰ্বতে এই অঞ্চলটো অসম ৰাজ্য আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনস্থ এটা জনজাতি অধ্যুষিত এলেকা আছিল। নাগালেণ্ড গঠন হোৱাৰ লগে লগে অঞ্চলটোৰ আন বহুকেইটা নৃগোষ্ঠীয় দলে স্বনিয়ন্ত্ৰণ আৰু জাতি গঠনৰ সুযোগ বিচাৰি দাবী উত্থাপন কৰিছিল। কালক্ৰমত একেখন আইনৰ অধীনতে মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰামক পৃথক ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল।

1972 চনত মেঘালয়ক ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত মাত্ৰ দুখন জিলাৰে বৰ্তমানৰ মেঘালয় অঞ্চলটো গঠিত আছিল। অসম প্ৰদেশৰ অধীনত মেঘালয়ে সীমিতি স্বায়ত্ব শাসনৰ সুযোগ পাইছিল। 1960 চনত অঞ্চলটোত এখন পৃথক পাহাৰীয়া ৰাজ্য বিচাৰি কৰা আন্দোলনৰ সূত্ৰপাত হৈছিল। তাৰপাচত 1969 চনৰ অসম পুনৰ সংগঠন আইনৰ অধীনত 1970 চনৰ 2 এপ্ৰিলত মেঘালয়ক এক স্বায়ত্ব শাসিত প্ৰদেশৰ মৰ্যাদা দিয়া হৈছিল। 1971 চনত সংসদে উত্তৰ-পূৰ্বাঞ্চলীয় এলেকাবোৰ পুনৰ সংগঠন আইনখন গৃহিত কৰিছিল। এই আইনৰ অধীনত মেঘালয় স্বায়ত্ব শাসিত প্ৰদেশখনক পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল আৰু 1972 চনত ভাৰতৰ এখন ৰাজ্যৰূপে মেঘালয়ে স্বীকৃতি লাভ কৰিছিল।

পূৰ্বতে 'নেফা' (নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সী) নামেৰে জনাজাত অৰুণাচল প্ৰদেশে 1987 চনৰ 20 ফেব্ৰুৱাৰীত ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰে। ইয়াৰ আগতে অঞ্চলটোক অসমৰ পৰা পৃথক কৰি এখন কেন্দ্ৰীয় শাসিত প্ৰদেশৰ ৰূপ দিয়া হৈছিল।

দীৰ্ঘদিন ধৰি দ্য মিজো ইউনিয়নৰ দৰে বহুকেইটা মিজো সংগঠনে অভিযোগ কৰি আহিছিল

যে লুচাই পাহাৰৰ বাসিন্দাসকলক অসম চৰকাৰে কোনোদিনে পর্যাপ্ত গুৰুত্ব দিয়া নাছিল। স্বাভাৱিক ভাৱেই কালক্ৰমত অঞ্চলটোক এক পৃথক ৰাজ্য হিচাপে গঢ়ি তোলাৰ দাবী শক্তিশালী হৈ পৰিছিল। 1959–60 চনত লুচাই পাহাৰত দেখা দিয়া দুর্ভিক্ষৰ সময়ত চৰকাৰে লোৱা অপর্য্যাপ্ত ব্যৱস্থাক লৈ মিজোসকল বিশেষকৈ অসন্তুষ্ট আছিল। 1956 চনত দুর্ভিক্ষ সাহায্য প্ৰদানৰ বাবে গঠিত মিজো নেশ্যনেল ফেমাইন ফ্ৰণ্ট নামৰ সংগঠনটোৱে 1961 চনত মিজো নেশ্যনেল ফ্ৰণ্ট (MNF) নামৰ ৰাজনৈতিক দলৰ ৰূপ লৈছিল। ইয়াৰ উপৰি 1960 চনত অসমীয়া ভাষাটোক ৰাজ্যিক ভাষা ৰূপে বলপূর্বক জাপি দিয়াৰ বিষয়টোক লৈও মিজোসকলৰ মনত উপান্ত অনুভূতিৰ জন্ম দিছিল। এইবোৰে অঞ্চলটোৰ বাসিন্দাসকলৰ অসন্তুষ্টিৰ পৰিমাণ বৃদ্ধি কৰিছিল। বিংশ শতিকাৰ ষাঠিৰ দশকত মিজোৰামত এলানি প্ৰতিবাদী কার্যসূচী আৰু উগ্রপন্থামূলক কার্যকলাপৰ উত্থান ঘটিছিল। এম এন এফ-এ ভাৰতৰ পৰা স্বাধীনতা বিচাৰি বিদ্রোহ তীব্রতৰ কৰি তুলিছিল। 1966 চনৰ মার্চ মাহত অঞ্চলটোত সর্ববৃহৎ বিদ্রোহী অভ্যুত্থান ঘটিছিল। সেই বছৰৰ 1 মার্চৰ দিনা এম এন এফ- এ অসমৰ মিজো জিলাৰ বিভিন্ন অংশত থকা চৰকাৰী কার্যলয় আৰু সুৰক্ষা কর্মী থকা এলেকাবোৰ আক্ৰমণ কৰিছিল। 1971 চনত কেন্দ্রীয় চৰকাৰে মিজো পাহাৰক এখন কেন্দ্রীয় শাসিত প্ৰদেশৰ ৰূপ দিবলৈ সন্মত হৈছিল। এনেকৈয়ে 1972 চনত মিজোৰাম প্ৰদেশ গঠন কৰা হৈছিল। 1946 চনত চৰকাৰ আৰু (MNF) ৰ মাজত হোৱা মিজোৰাম শান্তি চুক্তি অনুসৰি 1987 চনত প্ৰদেশখনক ভাৰতৰ এখন পূর্ণাংগ ৰাজ্যৰ মর্যাদা দিয়া হৈছিল।

আগতেই উল্লেখ হৈছে যে মণিপুৰ আৰু ত্রিপুৰা আছিল স্বতন্ত্র ৰাজকীয় প্ৰদেশ। ভাৰতে স্বাধীনতা লাভ কৰাৰ পাচত দেশৰ প্রথমগৰাকী গৃহমন্ত্রী চর্দাৰ ৰল্লভ ভাই পটেলে 500 খনতকৈও অধিক ৰাজকীয় প্ৰদেশক ভাৰতৰ সৈতে সংহতকৰণৰ প্রচেষ্টা আৰম্ভ কৰিছিল। এই প্রচেষ্টাৰ অংশ ৰূপে 1949 চনৰ 21 ছেপ্টেম্বৰত মণিপুৰে চামিলকৰণ চুক্তি এখনত স্বাক্ষৰ কৰি ভাৰত গণৰাজ্যৰ অংশ হৈছিল। মণিপুৰ প্ৰদেশৰ হৈ মহাৰাজ বোধচন্দ্র সিঙে এই চুক্তিৰ চহী কৰিছিল। 1962 চনৰ পৰা এখন কেন্দ্রীয় শাসিত প্ৰদেশ হৈ থকাৰ অন্তত 1972 চনত মণিপুৰে ভাৰতৰ এখন পূর্ণাংগ ৰাজ্যৰ মর্যাদা লাভ কৰিছিল।

পূর্বৰ ৰাজকীয় প্ৰদেশ ত্রিপুৰাত মাণিক্যৰ মহাৰাজসকলে শাসন চলাইছিল। ত্রিপুৰাৰ ৰাজ বুৰঞ্জী অনুসৰি 1949 চনৰ 15 অক্টোবৰত ভাৰত গণৰাজ্যৰ সৈতে চামিল হোৱাৰ পূর্বে প্রায় 184 জন ৰজাই ত্রিপুৰা শাসন কৰিছিল। 1950 চনৰ 26 জানুৱাৰীত ত্রিপুৰাক এখন 'C' শাখাৰ ৰাজ্য বুলি ঘোষণা কৰা হৈছিল আৰু 1956 চনৰ 1 নৱেম্বৰত ইয়াত কেন্দ্রীয় শাসিত প্ৰদেশৰ মর্যাদা দিয়া হৈছিল। ত্রিপুৰাৰ বাসিন্দাৰ অবিৰত প্রয়াস আৰু সংগ্রামৰ ফলস্বৰূপে 1972 চনৰ 21 জানুৱাৰীত ই ভাৰতৰ এখন পূর্ণাংগ ৰাজ্যত পৰিণত হৈছিল।


1947 চনত এক গণভোটৰ আধাৰত চিকিমক ভাৰত গণৰাজ্যৰ সৈতে চামিল কৰাৰ প্রক্ৰিয়াটো বাতিল হৈছিল। সেই সময়ৰ প্রধানমন্ত্রী নেহৰুৱে অঞ্চলটোক এখন সংৰক্ষিত ৰাজ্যৰ মর্যাদা দিবলৈ সন্মত হৈছিল। এনেকৈয়ে ৰাজ্যখন ভাৰতৰ সার্বভৌম কর্তৃত্বৰ অধীন হৈছিল।

ভাৰতে ইয়াৰ বৈদেশিক পৰিক্ৰমা, প্ৰতিৰক্ষা, কূটনৈতিক কাৰ্যকলাপ আৰু সংযোগ ব্যৱস্থা নিয়ন্ত্ৰণ কৰিছিল। ৰাজ্যখনক কেৱল প্ৰশাসনিক স্বায়ত্ব শাসনৰ সুযোগ দিয়া হৈছিল। 1975 চনত চিকিমৰ প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ এখন অংগৰাজ্য হোৱাৰ আগ্ৰহ প্ৰকাশ কৰি ভাৰতীয় সংসদলৈ গোহাৰি পত্ৰ প্ৰেৰণ কৰিছিল। একে বছৰতে এপ্ৰিল মাহত ভাৰতীয় সেনাই চিকিমৰ ৰাজধানী চহৰ গেংটকৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিছিল। একেদৰে ছোগ্যালৰ ৰাজভৱন প্ৰহৰীবোৰকো ভাৰতে অধিগ্ৰহণ কৰিছিল। তাৰপাচত ৰাজ্যখনত এক গণভোটৰ আয়োজন কৰা হৈছিল। অধিকাংশ চিকিমবাসীয়ে ৰাজ্যখনৰ পৰা ৰাজতন্ত্ৰৰ নিৰ্মূল আৰু ভাৰতৰ সৈতে চামিলকৰণৰ সপক্ষে ভোট দিছিল। 1975 চনৰ 16 মে' তাৰিখে চিকিমক ভাৰতৰ 22 তম পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিয়া হৈছিল।



জানি থোৱা ভাল

'C' শাখাৰ ৰাজ্য মানে হ'ল ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়া মুখ্য আয়ুক্তই পৰিচালনা কৰা ৰাজ্য।



অগ্ৰগতি নিৰীক্ষণ

1) পৃথককৰণ আৰু বিচ্ছিন্নকৰণ আছিল উত্তৰ-পূৰ্বাঞ্চলৰ বাবে গ্ৰহণ কৰা বৃটিছ শাসন নীতিৰ মূল। (শুদ্ধ / অশুদ্ধ)

2) ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক সংৰচনাটোত কেৱল পুৰণি অসমৰ ভৈয়াম অঞ্চলহে অন্তৰ্ভুক্ত আছিল। (শুদ্ধ / অশুদ্ধ)

3) নাগালেণ্ড হ'ল পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰা প্ৰথমখন উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্য। (শুদ্ধ /অশুদ্ধ)

4) গণভোটৰ জৰিয়তে চিকিমৰ পৰা ৰাজতন্ত্ৰ আঁতৰোৱা হৈছিল। (শুদ্ধ / অশুদ্ধ)

5) চিকিম হ'ল ভাৰতৰ এখন পূৰ্ণাংগ ৰাজ্য। (শুদ্ধ / অশুদ্ধ)



চিন্তা চৰ্চা কৰক

- অৰুণাচল প্ৰদেশে কেনেকৈ অসমৰ পৰা পৃথক হৈ গৈ এখন নতুন ৰাজ্যৰ ৰূপ লৈছিল সেই বিষয়ে অধিক তথ্য সংগ্ৰহ কৰক।
- মিজো দুৰ্ভিক্ষৰ বিষয়ে গৱেষণা কৰক আৰু মিজোৰামক পূৰ্ণাংগ ৰাজ্যৰূপে গঢ়ি তোলাত এম. এন. এফ. ৰ ভূমিকা জনাৰ চেষ্টা কৰক।
- মণিপুৰ ৰাজ্য গঠনত নিৰ্ণায়ক ভূমিকা লোৱা 'চামিলকৰণ চুক্তি (Instrument of Accession) ৰ অন্তৰ্ভুক্ত প্ৰাসংগিক দফাবোৰ বিচাৰি উলিয়াওক।

৪.৫ বিভিন্ন স্বায়ত্ব শাসিত পৰিষদৰ গঠন

ভাৰত স্বাধীন হোৱাৰ পাচত দেশৰ প্ৰথমখন অন্তৰ্ৱৰ্তী চৰকাৰে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত উত্তৰ-পূব সীমান্ত (অসম) জনজাতি আৰু বাদ পৰা এলেকা সমিতি গঠন কৰিছিল। এই সমিতিখন সংবিধান সভাৰ এখন উপ-সমিতি আছিল। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয় যে আৰম্ভণিৰে পৰা উত্তৰ-পূব ভাৰতৰ প্ৰশাসনত ঘটা সবাতোকৈ তাৎপৰ্যপূৰ্ণ সংৰচনাভিত্তিক পৰিৱৰ্তনটো হ'ল অঞ্চলটোত চলা ৰাজনৈতিক স্বায়ত্ব শাসন প্ৰদান আৰু পূৰ্ণাংগ ৰাজ্য গঠন প্ৰক্ৰিয়া। এই সমিতিয়ে পৰামৰ্শ দিছিল যে স্থানীয় পৰ্যায়ত জনজাতি লোকসকলক ৰাজনীতিত প্ৰাপ্য প্ৰতিনিধিত্বমূলক সংৰচনাৰ অধিকাৰী কৰি তুলিবলৈ হ'লে স্বায়ত্ব শাসিত জিলা পৰিষদ গঠন কৰিব লাগিব। ইয়াৰ কাৰণ হ'ল ভাৰতত সদায়েই জনজাতি অধ্যুষিত এলেকাবোৰত প্ৰশাসনিক কাম-কাজ আগবঢ়াই নিয়া বিষয়টোৱে প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। এই পৰামৰ্শবোৰ পাচত ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ধাৰা 244(2) আৰু ধাৰা 275 (1)ত সন্নিৱিষ্ট কৰা হৈছিল। এনে এলেকাত স্বায়ত্ব শাসিত পৰিষদ গঠন প্ৰশাসনৰ বাবে এক ফলপ্ৰসূ আহিলাত পৰিণত হৈছিল। পৰিষদবোৰৰ অন্তৰ্গত এলেকাবোৰৰ বাসিন্দাই আগতকৈ উন্নতৰ ন্যায়িক, কাৰ্যসম্পাদনকেন্দ্ৰিক আৰু বিধায়িনী ক্ষমতা লাভ কৰিছিল।


কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে প্ৰদান কৰা মৰ্যাদা অনুসৰি উত্তৰ-পূব ভাৰতত দুই ধৰণৰ স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হয়। প্ৰথমবিধ পৰিষদ ষষ্ঠ অনুসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে নিজে গঠন কৰে। ৰাজ্যিক বিধানসভাই দ্বিতীয়বিধ পৰিষদ গঠনত আগভাগ লয়।

ষষ্ঠ অনুসূচীৰ অধীনত অসম, মেঘালয় , ত্ৰিপুৰা আৰু মিজোৰামত বিভিন্ন স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছে। অসমৰ এনে কেইখনমান পৰিষদ হ'ল- বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (BTC) কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ (KAAC) আৰু ডিমা হাচাও জিলা স্বায়ত্বশাসিত পৰিষদ (DHAC)। 2003 চনৰ 10 ফেব্ৰুৱাৰীত (BTC) গঠন কৰা হৈছিল। এই পৰিষদৰ অন্তৰ্গত অঞ্চলবোৰক আনুষ্ঠানিকভাৱে বড়োলেণ্ড টেৰিট'ৰিয়েল এৰিয়া ডিষ্ট্ৰিক্ট্ (BTAD) বোলা হয়। কোকৰাঝাৰ, বাক্সা, ওদালগুৰি আৰু চিৰাং জিলাৰে BTAD গঠিত। 1952 চনৰ 23 জুনত KAAC গঠন কৰা হৈছিল। ইয়াৰ প্ৰধান কাৰ্যলয় ডিফুত অৱস্থিত।

মেঘালয়ত থকা স্বায়ত্ব শাসিত পৰিষদ তিনিখন হ'ল— খাচী পাহাৰ স্বায়ত্বশাসিত জিলা পৰিষদ, গাৰো পাহাৰ স্বায়ত্বশাসিত জিলা পৰিষদ আৰু জয়ন্তীয়া পাহাৰ স্বায়ত্ব শাসিত জিলা পৰিষদ। ত্ৰিপুৰাত থকা পৰিষদখনৰ নাম হ'ল ত্ৰিপুৰা জনজাতি এলেকা স্বায়ত্বশাসিত পৰিষদ। আনহাতে, মিজোৰামত গঠন কৰা স্বায়ত্বশাসিত পৰিষদ তিনিখন হ'ল— চাক্মা স্বায়ত্বশাসিত জিলা পৰিষদ, মাৰা স্বায়ত্বশাসিত জিলা পৰিষদ আৰু লেই স্বায়ত্বশাসিত জিলা পৰিষদ।

বিধান সভাবোৰে আইন গৃহীত কৰাৰ পাচত ৰাজ্য চৰকাৰবোৰে গঠন কৰা পৰিষদবোৰক বিধান সন্মত স্বায়ত্বশাসিত পৰিষদ (Statutory Autonomous Council) বোলে। অসম আৰু মণিপুৰত এনে পৰিষদৰ অস্তিত্ব দেখিবলৈ পোৱা যায়। অসমত থকা এনে পৰিষদৰ কেইটামান

উদাহৰণ হ'ল— ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ, লালুং স্বায়ত্ব শাসিত পৰিষদ, মিচিং স্বায়ত্ব শাসিত পৰিষদ, ঠেঙ্গাল কছাৰী পাহাৰীয়া স্বায়ত্ব শাসিত পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ আৰু দেউৰী স্বায়ত্ব শাসিত পৰিষদ। আকৌ, মণিপুৰত গঠন কৰা এনে পৰিষদৰ কেইটামান উদাহৰণ হ'ল— চন্দেল স্বায়ত্ব শাসিত পৰিষদ, চূড়াচান্দপূৰ স্বায়ত্ব শাসিত পৰিষদ, সদৰ পাহাৰ স্বায়ত্ব শাসিত জিলা পৰিষদ, উত্তৰ মণিপুৰ স্বায়ত্ব শাসিত জিলা পৰিষদ, তামেংলং স্বায়ত্ব শাসিত জিলা পৰিষদ আৰু উখুল স্বায়ত্ব শাসিত জিলা পৰিষদ।



অগ্ৰগতি নিৰীক্ষণ

6) অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত উত্তৰ-পূব সীমান্ত (অসম) জনজাতি আৰু বাদ পৰা এলেকা সমিতি গঠন কৰা হৈছিল। (শুদ্ধ / অশুদ্ধ)

7) ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত বিধানসন্মত স্বায়ত্ব শাসিত পৰিষদবোৰ গঠনকৰা হয়। (শুদ্ধ / অশুদ্ধ)



চিন্তা চৰ্চা কৰক

- উত্তৰ-পূব ভাৰতৰ স্বায়ত্ব শাসিত পৰিষদবোৰৰ হাতত ন্যস্ত থকা বিভিন্ন ক্ষমতা আৰু এই পৰিষদবোৰৰ কাৰ্যাৱলী কেনে ধৰণৰ বিচাৰি উলিয়াওক।



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঔপনিৱেশিক যুগৰ আৰম্ভণিত অসমক বেংগল প্ৰভিন্স (বংগ প্ৰদেশ)ৰ অংশ কৰি ৰখা হৈছিল। 1874 চনত পৃথক অসম প্ৰদেশ গঠন কৰা হৈছিল। লাহে লাহে বৃটিছে সকলো চুবুৰীয়া অঞ্চললৈকে ইয়াৰ প্ৰশাসনিক অধিকাৰ সম্প্ৰসাৰিত কৰিছিল। অতীজৰে পৰা স্বতন্ত্ৰ অস্তিত্ব সহকাৰে জীৱন-যাপন কৰি থকা বিভিন্ন জনজাতি সম্প্ৰদায়ে প্ৰতিৰোধী কাৰ্যকলাপ আৰম্ভ কৰা সত্ত্বেও বৃটিছসকল থমকি ৰোৱা নাছিল।
- কৌশলপূৰ্ণ ভৌগোলিক অৱস্থান আৰু ৰাজনৈতিক জটিলতাৰে পূৰ্ণ উত্তৰ-পূব ভাৰতত স্বাধীনোত্তৰ কালত ৰাজ্য গঠন কৰাটো এক প্ৰত্যাহ্বানমূলক প্ৰক্ৰিয়া হৈ পৰিছিল।
- অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত উত্তৰ পূব সীমান্ত (অসম) জনজাতি আৰু বাদ পৰা এলেকা সমিতি গঠন কৰা হৈছিল। এই সমিতিয়ে পৰামৰ্শ দিছিল যে স্থানীয় পৰ্যায়ত জনজাতি লোকসকলক ৰাজনীতিত প্ৰাপ্য প্ৰতিনিধিত্বমূলক সংৰচনাৰ অধিকাৰী কৰি তুলিবলৈ হ'লে স্বায়ত্ব শাসিত জিলা পৰিষদ গঠন কৰিব

লাগিব।

- ৰৱদলৈ সমিতিৰ পৰামৰ্শবোৰ পাচত ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ধাৰা 244 (2) আৰু ধাৰা 275 (1) ত সন্নিৱিষ্ট কৰা হৈছিল।
- কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে প্ৰদান কৰা মৰ্যাদা অনুসৰি উত্তৰ-পূব ভাৰতত দুই ধৰণৰ স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হয়। প্ৰথমবিধ পৰিষদ ষষ্ঠ অনুসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে নিজে গঠন কৰে। ৰাজ্যিক বিধানসভাই দ্বিতীয়বিধ পৰিষদ গঠনত আগভাগ লয়।



৪.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Sharma, Chandan Kumar. 'Nation, Nationality and Nation-building in India'. Retrieved from academia.edu
2) Baruah, Sanjib. 2001. *India Against Itself.* Oxford University Press.
3) Baruah, Sanjib. 2007. *Durable Disorder: Understanding the Politics of Northeast India.* OUP.
4) Guha, Amalendu. 1977. *Planter Raj to Swaraj: Freedom Struggle and Electoral Politics in Assam 1826-1947.* New Delhi.
5) Barpujari, H.K. 1998. *North-east India: Problems,Politcies and Prospects.* Delhi.
6) Inoue, Kyoko. *Integration of the Northeast: The State Formation Process.* (Details unknown)



৪.৮ অগ্ৰগতিৰ খতিয়ান

1] শুদ্ধ

2] অশুদ্ধ

3] শুদ্ধ

4] শুদ্ধ

5] অশুদ্ধ

6] শুদ্ধ

7] অশুদ্ধ



৪.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ মেঘালয়ে ৰাজ্যক মৰ্যাদা কেনেকৈ লাভ কৰিছিল উল্লেখ কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ স্বাধীনোত্তৰ যুগত উত্তৰ-পূব ভাৰতত চলা ৰাজ্য গঠন প্ৰক্ৰিয়াৰ বিষয়ে এখন ৰচনা লিখক।

*** ***** ***